**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 04-09-2025 **Time :** 1205Hrs.

ooooooo

কেন্দ্ৰীয় চৰকাৰে সামগ্ৰী আৰু সেৱাকৰ – জি এছ্ টিৰ হাৰ হ্ৰাস কৰাৰ ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰিছে। সাধাৰণ জনতা, কৃষক আৰু কৃষি, স্বাস্থ্য, শ্ৰমিক, উদ্যোগী তথা অৰ্থনীতিৰ মূল খণ্ডসমূহত গুৰুত্ব আৰোপ কৰি কালি জি এছ্ টি পৰিষদে এই যুক্তিগত সংস্কাৰ সাধনত অনুমোদন দিয়ে। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনৰ অধ্যক্ষতাত অনুষ্ঠিত পৰিষদৰ বৈঠকত কৰৰ স্তৰ যুক্তিসংগতভাৱে হ্ৰাস কৰাৰ লক্ষ্যৰে জি এছ্ টিৰ পৰিমাণ পূৰ্বৰ ১৮ অথবা ১২ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। নতুন দিল্লীত পৰিষদৰ বৈঠকৰ অন্তত কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বিত্তমন্ত্ৰীগৰাকীয়ে কয়, যে সকলোবোৰ ব্যক্তিগত জীৱন বীমা আঁচনি, স্বাস্থ্য বীমা আঁচনি তথা জ্যেষ্ঠ নাগৰিকৰ বাবে থকা আঁচনিসমূহৰ ক্ষেত্ৰত থকা জি এছ্ টি উঠাই লোৱাৰ বাবে পৰিষদে অনুমোদন জনাইছে। সাধাৰণ সামগ্ৰীৰ ক্ষেত্ৰত কৰ হ্ৰাস কৰাৰ বিপৰীতে কেতবোৰ বিলাসী সামগ্ৰীৰ ক্ষেত্ৰত ৪০ শতাংশ স্তৰ নতুনকৈ ধাৰ্য কৰা হৈছে। এই অনুসৰি ঘিউ, বাদাম, বটলৰ খোৱাপানী, ভূজিয়া, চাইকেল, ছাতি, পেঞ্চিল, ২৫০০ টকালৈকে জোতা ইত্যাদি সামগ্ৰীৰ ক্ষেত্ৰত এই কৰ ১২ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰিছে। একেদৰে চেম্পু, মূৰত ঘঁহা তেল, টুথপেষ্ট ইত্যাদি সামগ্ৰীৰ ক্ষেত্ৰত কৰৰ পৰিমাণ পূৰ্বৰ ১৮ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। নিম্ন মধ্যবিত্ত শ্ৰেণীৰ সহায়ক হোৱাকৈ চিমেণ্ট আৰু টি ভি, ৰেফ্ৰিজাৰেটৰ, ৱাশ্বিং মেচিন, এ চি ইত্যাদি বৈদ্যুতিক সামগ্ৰীৰ ক্ষেত্ৰত জি এছ্ টিৰ পৰিমাণ পূৰ্বৰ ২৮ শতাংশৰ পৰা ১৮ শতাংশলৈ হ্ৰাস কৰা হৈছে। সৰু গাড়ী, মটৰ চাইকেল, এম্বুলেঞ্চ আদিৰ ক্ষেত্ৰতো কৰ ২৮ শতাংশৰ পৰা ১৮ শতাংশলৈ হ্ৰাস কৰা হৈছে।

ooooooo

কালি দেহাৱসান ঘটা অসমৰ অনাতাঁৰ সংবাদ সেৱাৰ অন্যতম বাটকটীয়া বিৰাজ দাসৰ অন্ত্যেষ্টিক্ৰিয়া বৰ্তমান গুৱাহাটীৰ নৱগ্ৰহ শ্মশানত অনুষ্ঠিত হৈছে। ইয়াৰ আগেয়ে আজি তেওঁৰ নশ্বৰদেহ আকাশবাণী গুৱাহাটীলৈ অনা হয় আৰু ইয়াত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ লগতে আন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে প্ৰাক্তন সতীৰ্থগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা তৰ্পন কৰে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে বৰ্ষীয়ান সাংবাদিক গৰাকীৰ কালি বিয়লি গুৱাহাটীৰ এখন হাস্পতালত ৮৯ বছৰ বয়সত দেহাৱসান ঘটে। ভাৰতীয় তথ্য সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া, আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ প্ৰাক্তন যুটীয়া সঞ্চালক তথা আন্তৰ্জাতিক পৰ্যায়ত আকাশবাণীৰ বিশেষ সংবাদদাতাৰ পদবীত কাৰ্যনিৰ্বাহ কৰা প্ৰথম অসমীয়া বিৰাজ দাসে ১৯৭৯ৰ পৰা ১৯৮৪ চনলৈ আকাশবাণী গুৱাহাটীৰ সংবাদদাতা হিচাপে কৰ্মৰত আছিল। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অধীনৰ যোজনা আৰু পয়োভৰাৰ জ্যেষ্ঠ সংবাদদাতা, ক্ষেত্ৰ প্ৰচাৰ সঞ্চালকালয়ৰ আঞ্চলিক বিষয়া, প্ৰেছ্ ইনফৰমেছন ব্যুৰোৰ উপ প্ৰধান তথ্য বিষয়া আদি বিভিন্ন গুৰুত্বপূৰ্ণ পদত তেওঁ কাৰ্যনিৰ্বাহ কৰিছিল। পৰৱৰ্তী সময়ত দাসে শ্ৰীলংকাৰ কলম্বোত আকাশবাণীৰ বিশেষ সংবাদদাতা হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। অৱসৰৰ পাছত তেওঁ কেইবাবছৰো আকাশবাণী গুৱাহাটী আৰু দূৰদৰ্শনৰ অংশকালীন বাতৰি সম্পাদক, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সাংবাদিকতা বিভাগত অতিথি অধ্যাপক হিচাপে কাম কৰাৰ উপৰি কেইবাটাও ব্যক্তিগত গণমাধ্যমৰ প্ৰশিক্ষণ প্ৰতিষ্ঠানত জ্যেষ্ঠ প্ৰশিক্ষক হিচাপেও কাম কৰিছিল।

০০০০০০০

শোণিতপুৰ জিলাৰ ৰঙাপৰাৰ শিঙৰিজানৰ দুৰুং চাহ বাগিছাত আজি কেন্দ্ৰীয় সামূহিক ৰান্ধনী ঘৰৰ আধাৰশিলা স্থাপন কৰা হ'ব। ২৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই সামূহিক ৰান্ধনী ঘৰৰ আধাৰশিলা স্থাপন অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত ৰঙাপৰাৰ বিধায়ক কৃষ্ণ কমল তাঁতী আৰু অক্ষয় পাত্ৰ ফাউণ্ডেচনৰ অধ্যক্ষ জনাৰ্ধনা দাস উপস্থিত থাকিব। এই কেন্দ্ৰীয় সামূহিক ৰান্ধনী ঘৰৰ জৰিয়তে প্ৰধানমন্ত্ৰী পোষণ অভিযানৰ অধীনত সমগ্ৰ শিক্ষা অভিযানৰ জৰিয়তে বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ গুণগত আৰু স্বাস্থ্যসন্মত দুপৰীয়াৰ আহাৰৰ যোগান, শিশুৰ পুষ্টিহীনতা নিৰ্মূলৰ উপৰি নিয়োগৰ সুযোগ সৃষ্টিৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

০০০০০

সুধাকণ্ঠ ভূপেন হাজৰিকাৰ জন্মশতবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ৬ ছেপ্তেম্বৰ শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত গীতিকাৰ, সাহিত্যিক, সাংবাদিক আৰু চিত্ৰকৰ হিচাপে ড০ ভূপেন হাজৰিকাৰ মূল্যায়ন কৰাৰ প্ৰয়াস কৰা হ'ব। বিশিষ্ট গীতিকাৰ ড০ দিনেশ বৈশ্য, বিশিষ্ট নিৱন্ধকাৰ ড০ পৰমানন্দ মজুমদাৰ আৰু বিশিষ্ট সাংবাদিক মণি মহন্তই ভাগ ল'বলগীয়া এই আলোচনাৰ অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

শিক্ষা বিভাগে ২০২৫ বৰ্ষৰ ৰাজ্যিক কৃতি শিক্ষক বঁটাৰ বাবে ১৫ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীৰ নাম ঘোষণা কৰিছে। কাইলৈ শিক্ষক দিৱস উপলক্ষে তেজপুৰ বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হ'ব। সমগ্ৰ শিক্ষা অসমৰ কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত কালি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই বিষয়ে প্ৰকাশ কৰে। মাধ্যমিক শিক্ষাৰ ৮ গৰাকী আৰু প্ৰাথমিক শিক্ষাৰ ৭ গৰাকী কৃতি শিক্ষক-শিক্ষয়িত্ৰীৰ নাম কালি বঁটাৰ বাবে শিক্ষামন্ত্ৰীয়ে ঘোষণা কৰে।

০০০০০০০

**সমাপ্ত**